অধ্যায় ১০ : স্বৰ্গদেউ ৰুদ্ৰসিংহ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ তুংখুঙীয়া বুৰঞ্জীৰ সাধাৰণ পৰিচয়
১০.৪ স্বৰ্গদেউ ৰুদ্ৰসিংহ
১০.৪.১ মূল পাঠ
১০.৪.২ সাধাৰণ আলোচনা
১০.৪.৩ গদ্যৰ বৈশিষ্ট্য
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তুংখুঙীয়া বুৰঞ্জীৰ বিষয়বস্তু আৰু ঐতিহাসিক গুৰুত্ব সম্বন্ধে জানিব পাৰিব।
- স্বৰ্গদেউ ৰুদ্ৰসিংহৰ জীৱন, কৰ্ম আৰু শাসনব্যৱস্থাৰ বিষয়ে বুজিব পাৰিব।
- আহোম যুগৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিস্থিতি সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- ৰুদ্ৰসিংহৰ সামৰিক দক্ষতা, কূটনৈতিক বিচক্ষণতা আৰু জনকল্যাণমূলক কাৰ্যৰ বিষয়ে জানিব পাৰিব।
- বুৰঞ্জী সাহিত্যৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ উপলব্ধি কৰিব পাৰিব।
- অসমৰ ইতিহাস অধ্যয়নত বুৰঞ্জীৰ গুৰুত্ব সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব।

১০.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আমি বুৰঞ্জী সাহিত্যৰ উৎপত্তি, বিকাশ, বৈশিষ্ট্য আৰু গুৰুত্বৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত আহোমসকলে ইতিহাস সংৰক্ষণৰ বাবে গঢ়ি তোলা বুৰঞ্জী ৰচনাৰ পৰম্পৰা, বুৰঞ্জী শব্দৰ অৰ্থ আৰু উৎপত্তি, ৰাজকীয় আৰু ব্যক্তিগত বুৰঞ্জীৰ বৈশিষ্ট্য, লগতে বুৰঞ্জীৰ ঐতিহাসিক, সামাজিক আৰু সাহিত্যিক মূল্যৰ বিষয়ে জানিবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ উপৰিও বুৰঞ্জীৰ গদ্যশৈলীৰ বিশেষত্ব আৰু অসমীয়া গদ্য সাহিত্যৰ বিকাশত ইয়াৰ অৱদানৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি *তুংখুঙীয়া বুৰঞ্জীৰ* অন্তর্গত *স্বর্গদেউ ৰুদ্রসিংহ* পাঠৰ জৰিয়তে আহোম যুগৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ অধ্যায়ৰ সৈতে পৰিচিত হ'ম। এই পাঠত স্বর্গদেউ ৰুদ্রসিংহৰ জীৱন, কর্ম আৰু শাসনব্যৱস্থাৰ বিষয়ে জানিব পাৰিম। লগতে তেওঁৰ সামৰিক দক্ষতা, কূটনৈতিক বিচক্ষণতা, জনকল্যাণমূলক কার্য আৰু অসমৰ উন্নয়নৰ বাবে গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে আহোম যুগৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিস্থিতিৰ বিষয়ে ধাৰণা লাভ কৰাৰ লগতে বুৰঞ্জী সাহিত্যৰ গদ্যশৈলীৰ বৈশিষ্ট্য আৰু অসমৰ ইতিহাস অধ্যয়নত বুৰঞ্জীৰ গুৰুত্বো অধিক স্পষ্টভাৱে উপলব্ধি কৰিব পাৰিম।

১০.৩ তুংখুঙীয়া বুৰঞ্জীৰ সাধাৰণ পৰিচয়

তুংখুঙীয়া বুৰঞ্জী অসমীয়া বুৰঞ্জী সাহিত্যৰ এক উল্লেখযোগ্য নিদর্শন। ই আহোমসকলৰ তুংখুঙীয়া ৰাজবংশৰ ইতিহাস বর্ণনা কৰা এখন গুৰুত্বপূর্ণ বুৰঞ্জী। বুৰঞ্জীখনত মূলতঃ ১৬৮১ খ্রীষ্টাব্দত স্বর্গদেউ গদাধৰ সিংহৰ সিংহাসন আৰোহণৰ পৰা ১৮২৬ খ্রীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে আহোম শাসনৰ অন্ত পৰালৈকে প্রায় ১৪৫ বছৰৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে। বুৰঞ্জীখনৰ মূল ৰচয়িতা শ্রীনাথ দুৱৰা বৰুৱা। তেওঁ সমসাময়িক বহু ঘটনাৰ সাক্ষী হোৱাৰ বাবে ইয়াত বর্ণিত তথ্যসমূহ বিশেষভাৱে নির্ভৰযোগ্য বুলি বিবেচিত হয়।

বুৰঞ্জীখনত প্রথমে আহোমসকলৰ উৎপত্তি, তুংখুঙীয়া বংশৰ উত্থান আৰু গদাধৰ সিংহৰ ৰাজত্বকালৰ আলোচনা কৰা হৈছে। ইয়াৰ পিছত ক্রমে ৰুদ্র সিংহ, শিৱ সিংহ, প্রমত্ত সিংহ, ৰাজেশ্বৰ সিংহ, লক্ষ্মী সিংহ, গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্রকান্ত সিংহ, পুৰন্দৰ সিংহ, যোগেশ্বৰ সিংহ আদি তুংখুঙীয়া স্বর্গদেউসকলৰ ৰাজত্বকালৰ ঘটনাবলী বর্ণনা কৰা হৈছে।

এই বুৰঞ্জীত আহোম ৰাজ্যৰ ৰাজনৈতিক ইতিহাসৰ লগতে প্রশাসনিক ব্যৱস্থা, বৰগোহাঁই, বুঢ়াগোহাঁই, বৰপাত্রগোহাঁই আদি বিষয়াৰ দায়িত্ব, ৰাজ্য পৰিচালনাৰ নীতি আৰু ৰাজদৰবাৰৰ কার্যকলাপৰ বিৱৰণ পোৱা যায়। তদুপৰি ৰাজ্যৰ সীমা, ৰাজধানী স্থানান্তৰ, সামৰিক অভিযান, কছাৰী, জয়ন্তীয়া, কোচ, মোগল আদি শক্তিৰ সৈতে সম্পর্ক আৰু সংঘাতৰ কথাও ইয়াত উল্লেখ আছে।

বুৰঞ্জীখনৰ এক বিশেষ গুৰুত্বপূর্ণ বিষয় হৈছে মোৱামৰীয়া বিদ্রোহৰ বিশদ বিৱৰণ। এই বিদ্রোহে আহোম সাম্রাজ্যৰ ভিত কিদৰে দুর্বল কৰি তুলিছিল আৰু ৰাজ্যখনত ৰাজনৈতিক অস্থিৰতা সৃষ্টি কৰিছিল, সেই কথা ইয়াত স্পষ্টভাৱে প্রতিফলিত হৈছে। একেদৰে বর্মী আক্রমণ, বর্মী শাসনৰ বিভীষিকা আৰু তাৰ ফলত আহোম সাম্রাজ্যৰ পতনৰ প্রক্রিয়াও বুৰঞ্জীখনত সুস্পষ্টভাৱে বর্ণিত হৈছে।

ৰাজনৈতিক ঘটনাৰ উপৰিও তুংখুঙীয়া বুৰঞ্জীত সেই সময়ৰ অসমৰ সামাজিক জীৱন, ধর্মীয় পৰিস্থিতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পার্বণ, সামৰিক শক্তি, কৃষি আৰু জনসাধাৰণৰ জীৱনধাৰাৰ বহু মূল্যৱান তথ্য সংৰক্ষিত আছে। সেয়ে এই বুৰঞ্জী কেৱল আহোম ৰাজবংশৰ ইতিহাস নহয়, বৰং মধ্যযুগৰ অন্তিম পর্যায় আৰু ঔপনিৱেশিক যুগৰ আৰম্ভণিৰ অসমৰ সামগ্রিক জীৱনচিত্র প্রতিফলিত কৰা এক নির্ভৰযোগ্য ঐতিহাসিক দলিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ : "তুংখুঙীয়া বুৰঞ্জী"ৰ মূল ৰচয়িতা কোন?

.....

প্রশ্ন নং ২ : "তুংখুঙীয়া বুৰঞ্জী"ত কোন সময়ছোৱাৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে?

.....

প্রশ্ন নং ৩ : "তুংখুঙীয়া বুৰঞ্জী"ত কোন বিদ্রোহৰ বিশদ বিৱৰণ পোৱা যায়?

.....

১০.৪ স্বর্গদেউ ৰুদ্রসিংহ

স্বর্গদেৱ ৰুদ্রসিংহ

(তুংখুঙীয়া বুৰঞ্জী, ১৮০৬)

ৰাজপাটত উঠা— ১৬১৭ শকত ফাগুনত গদাধৰসিংহ মহাৰাজাৰ পুত্র শ্রীশ্রীৰুদ্রসিংহ মহাৰাজ হ'ল। এই শকে মাহে দিনে ৰুদ্রসিংহ দেৱে প্রথমে সমস্তে মহাজনসকলক আনি স্বস্থানে স্থাপিলেহি। ১৬১৮ আহিনৰ দিনত "দেৱে শিঙ্গৰিঘৰ উঠিল, নাম ললে চাওচুঙংফা। যাক যেন যোগ্য হয় বঁটা-প্রসাদ দিলে। সাত দিন ৰং কৰিলে। ৫২।।

ভূঁইকঁপ— আতপাচে দেৱৰ আজ্ঞাৰে ১৬১৮ শকত পুহত চেটিয়াৰ বন্দৰ ফুকনে পুংডাঙ্গত গড় বান্ধিলেগৈ দুমাহে। এই শকতে ফাগুনৰ পৰা শাওণলৈ ছয় মাস ভূমিকম্প গল। শদিয়াত মাটি ফাটি মাগুৰ কাৱৈ মাছ ওলাল। পানীও বালিও ওলাওঁতে ততো পর্ব্বতো খসিল। ৫৩।।

ষড়যন্ত্র— ১৬১৯ শকত ভাদত মহাৰাজাৰ লুংত্যাৰেক চাৰিং ৰজায়ে তিংখঙ্গীয়া মানুহেৰে আলচি দেৱক দ্রোহ কৰিব খুজিলে। লগত চঙ্গকৰ কাখৰ চুঙ্গিৰ বৰুৱাও আছিল। সেই সময়ত ৰজা চৰাইদেও পর্ব্বততে আছিল। চৰাই উৰুৱাই নগৰলৈ আহোঁতে সেই খনিতে ধৰিবলৈ যুক্তি হৈ আছিল। এই বার্ত্তা চাৰিং ৰজাৰ হাঁহচোৱা ডোমে গৈ জনাইছে। ৰজাদেৱো আহিবলৈ ওলাইছে। এই বার্ত্তা পাই উলটি মানুহ পঠাই চাৰিং ৰজাকো, চুঙ্গি বৰুৱাকো, ধৰি বন্দী কৰিলে। আনদিনা নগৰলৈ আহি চাৰিং ৰজাক নামৰুকলৈ নিয়াই ঘিলা কাঢ়ি থব দিলে, চুঙ্গিব বৰুৱাক মাৰিলে। এই শকৰে বহাগতে হিলৈদাৰী হাজৰিকীয়া চেওখাম ১, ত্যাওৰাইৰ বঙ্গহ ৰামজয় ১, আৰে ভাই-পো দুটা, নঙ্কমীয়া দেওধাই লাঙ্গুৰ বাপেক-পুতেক ২, কাকজনীয়া আংক ঘোঁৰাচোৱা ১, নামতিয়াল বামুণ ১, বকবা খনিকৰৰ ফৈদীয়া ২, এইসকলে আলচ কৰি পাপংগঞা লাহইৰ ঘৰত কোৱৰ এটা পোহপাল দি থৈছিল। লোকে জানি এই কথা দেৱত জনালেহি। "দেৱে এই কথা শুনি কোঁৱৰকো, লাহইৰ দুই বাপেক-পুতেককে ধৰাই আনি কোৱৰতো, লাহইতো সুধিলে, বোলে— "এই আলচ কোনে কোনে জানে?" কোবৰে, লাহইয়ে স্বর্গদেৱ বদ্রসিংহ বোলে— "যিবোৰ নাও কঢ়া গৈছে এইবোৰৰ আটায়ে জানে, পোহ-পালো দিছে।" "দেৱে কোঁৱৰ সহিতে সবাকে মাৰিলে। দুই দেওধাইৰ চক্ষু কাঢ়িলে। সকলৰে লৰালৰি নামৰূপত পাতিলেনি।

লাচাই কাৰ্ত্তীৰ নাতিয়েক পৰ্ব্বতীয়া ফুকনৰ ঘৰোৱাহকে নামৰুকলৈ নিলে। এই দাই ধৰি বোলে— "তাৰ বন্দীয়ে ৰামজয় বন্দীয়ে মিতিৰ কৰিছে, সিয়ো জানে। দাই এই।" ৫৪।।

জয়সাগৰ আৰু জয়দ'ল— ১৬১৯ শকত আঘ্রায়ণত ৰংপুৰত ৪৫ দিনে পুখুৰী খান্দিলে, ফাগুনত উছৰ্গিলে সকলো মহাজনসকলক আনি, নাম থলে জয়সাগৰ। ১৬২০ শকত ফাগুনত সেই পুখুৰীপাৰত তিনিও দ'ল বান্ধিবলৈ আৰম্ভ কৰিলে। আৰু পুখুৰীৰ উত্তৰ পাৰে বাহৰ কৰি ৰংপুৰ নাম থলে। ১৬২২ শকত মাঘত তিনিও দল উছৰ্গিলে। শ্রীবিষ্ণুমূৰ্ত্তি, শ্রীকেশৰৰাই, শ্রীশিৱ, শ্রীদুর্গা, শ্রীগণেশ, শ্রীসূর্য্য ইত্যাদি মূৰ্ত্তি সংস্থাপন কৰিলে। তৎপশ্চাৎ "দেৱে নগৰো ললে, নাম দিলে ৰংপুৰ। ৫৫।।

লেচাই বিদ্রোহ— ১৬২২ শকত চৈত্রত দেৱৰ ভাই সৰুজনা গোহাঁইদেৱে "দেৱক দ্রোহ কৰিব খুজিলে। সন্দিকৈ ভিতৰুৱাল ফুকন, লানমাখৰৰ বন্দৰ নাওবৈচা ফুকন, বাইলুং ডেকাফুকন, ভদৰুৱা হিলৈদাৰীৰ চেখাম হাজৰিকীয়া, ঘোঁৰাচোৱাৰ লোচন বৰা, গতাগত কৰা এইসকলেৰে যুক্তি হৈ ৰাজদ্রোহলৈ মন দিলে। এই কথা গোহাঁইৰ ফালৰ মেচাঘৰীয়া দামোদৰ ফুকনে চাঙ্গত ভৰিত পইজাৰ দিওঁতে মহাৰাজাত কলে। ৰজাদেৱে প্রমাণ পাই সকলকো মাৰিবলৈ দিলে। তিনি ফুকনক ৰাখিবাক মনে তিনিজনা ডাঙ্গৰীয়াক কুকুৰা যুঁজাবৰ ছলে নিয়ালে। এই আশয়ক বুজি ডাঙ্গৰীয়াসকলে মাতিলে। তিনি ফুকনক ৰাখি ঘোঁৰাচোৱা বৰা, হিলৈদাৰী হাজৰিকীয়া, আনো দুই-চাৰিক মাৰিলে। ফুকনবোৰক ভাঙ্গি ঘৰলৈ খেদিলে। সৰুজনা গোহাঞিক নামৰুকলৈ নিলে। লগৰ মানুহ দুই চাৰিক কাটিলে, দুই-চাৰিক নাক-কাণ কাঢ়ি খেদিলে। পাচে চেৰেগুৱাল ঘনচাম পাঁচনিক পঠাই সৰুজনা গোহাঞিৰ চক্ষু কঢ়ালে। ৫৬।।

বিদেশী সাজ-পাৰৰ প্রচলন— আতপাচে বঙ্গালৰ হাতে ৰংপুৰত হেৱালী-ঘৰ সাজিলে। টেঙ্গাবাৰীত তলাতল ঘৰ সজালে। ৰঙ্গনাথ গোসাঁইৰ দ'ল বন্ধালে। ফাকুযাত্রাৰ দ'ল বন্ধাই তাতে ১৬২৬ শকত ফাকুযাত্রা ৰজাদেৱে জামা, পাগইজাৰ পিন্ধিলে। সকলকো সেইৰূপে দিলে। মাদুবিয়াল লাইথপনা বৰগোহাঞি, কুঁৱৰিগঞা দৰৱধৰা বুঢ়াগোহাঞি, কেন্দুগুৰীয়া কনচেং বৰপাত্র গোহাঞি, এই তিনিজনা ডাঙ্গৰীয়া বোলে— "আপোনাৰ দেশৰ ধাৰাণ এৰি কেনে বঙ্গালৰ ধাৰাণে বঁটা পিন্ধিম?" এই বুলি ওলোটাই দিলে। পাচে কুমিনেৰে দি আহিল, পিন্ধালে। বুঢ়াগোহাঞে মহাৰাজালৈ প্রার্থি খুজি গলত জামা, পাগ্ইজাৰো দিলে। তাৰ পৰাহে পাজামাৰে বঁটা হল। ৫৭।।

নগাৰ আক্রমণ— ১৬২৩ শকত আঘণত "দেৱো কলীয়াববলৈ গল। পুহত বৰহাটত বান্দৰখেলীয়া যুগী হাটখোৱায়ে কোঁঠৰ ভিতৰ সুমুৱা ৬০ মান নগা কাটিলে। পাচে নগাও লোণশালতে আমাৰ বিস্তৰ মানুহ কাটিলে। "দেৱো কলীয়াববৰ পৰা আহি বিশ্বনাথত থাকোঁতে এই নগায়ে মানুহ কাটিবৰ কথা জনালেগৈ। "দেৱো ফাগুনৰ শেহত উজাই আহি চৈত্রৰ ২ দিন যাঞোতে গড়গাঁও পালেহি। পাচে দেৱে ৰংপুৰলৈ আহি ডাঙ্গৰীয়া, ফুকনবোৰ সহিতে আলচি সোণাপুৰীয়া গাভৰুৰ পুত্র খিত পাতৰৰ বংশফুকনক নগাৰ ৰণলৈ পঠালে। ফুকনো গৈ বৰহাটৰ পোনে পোনে দিলিহৰ উত্তৰপাৰে ভৈয়ামতে থাকি নগাৰ গাঁৱলৈ মানুহ পঠাই নগাক বৰাই-বুজাই আনি দেৱক সেৱা কৰিলেহি। দেৱেও নগাৰ দাই-দুষণ ক্ষমা কৰি বঁটা-প্রসাদ দি পঠালে। নামডাঙ্গত শিলসাঁকো বন্ধালে। ৫৮ ।।

গড়গাঁৱত মহাজন সন্মিলন— ১৬২৪ শকৰ জেষ্ঠত দেবে শূদ্র মেধিসকলক আজ্ঞা কৰিলে, বোলে— "ব্রাহ্মণক শূদ্রে শৰণ লগাব পাই যেন একো শাস্ত্রত বচন পোৱা নাই; এতেকে শৰণ নলগাব। যদি পাই যেন বচন দিব পাৰে, সেই পুথিও আনিব, আপুনিও আহিব। মই বিচাৰ কৰি চাম।"আন সকলো মেধিয়ে বোলে— "আমি কিছু নাজানো, মহাৰাজাৰ যি আজ্ঞা হৈছে তাকে কৰিম।" নাৰোৱাৰ ৰাম ১, বৰভকতৰ নাতি ভাত নোখোৱা মাধৱানন্দ ১, বাৰেৰ্ঘবীয়া চিৰাম ১, ভনীপুৰীয়া গোপালৰ নাতি ৰমানন্দ ১, চেচামুখীয়া চতুর্ভুজ ১, এই পাঁচে বোলে— "ব্রাহ্মণক শূদ্রে শৰণ লগাব পাই যেন বচন দিম, আমাক নি সোধক।" এই বুলি লেখা একোখানি দি পঠালে। এনে বোলা পাঞ্চক "দেৱে গড়গাঁৱৰ গড়-ভিতৰলৈ, আনি অনেক পণ্ডিত ব্রাহ্মণকো আনি দামে দামে পুস্তক মেলি বিচাৰ কৰিলে। একো পুস্তকত ব্রাহ্মণক শূদ্রে শৰণ লগাব পোৱা ৰচন নোলাল। পাচেঁদেৱে বোলে— "এই যে পুস্তকসকলত পায় যেন বচন নাই, সিহঁতে কোন পুথিত পাইছে তাক দেখুৱাক।" পাচে পাঞ্চো মেধিয়ে পুথিও দেখুৱাব নোৱাৰিলে, বচনো দিব নোৱাৰিলে, কিছু বুলিবৱো নোৱাৰিলে। ব্রাহ্মণসকলেও বিস্তৰ অহঙ্কাৰ কৰিলে। ঁদেৱো হাতাশালত বন্দী কৰি থব দিলে। সকলো বৰুৱা ফুকনে মাতিলত "ঁদেৱে বোলে— "মঞি মাবিহে খুজিলোঁ; বাৰু সিহঁতে যে মাতিলে এইবাৰ ৰক্ষা কৰিলোঁ।" এই বুলি পঞ্চগোটা ঘট চূর্ণে যুক্ত কৰি পঞ্চৰো কণ্ঠত আৰি শ্রীৰাম ঠাকুৰক কাটনিপা�ৰত থব দিলে। চতুর্ভুজ ঠাকুৰক মৱামৰাত থব দিলে। 'নবোৱাৰ ৰামচন্দ্রক কোৱামৰাত থব দিলে। ভাত-নোখোৱা ঠাকুৰক এলেঙ্গীত থলে। ভৱানীপুৰীয়া গোপালৰ নাতি ৰমানন্দক স্বস্থানতে থলে। দেৱে আৰু সকলে শূদ্র মেথিত কব দিলে, বোলে— "ব্রাহ্মণ যি দুই-চাৰিজন আছে সিহঁতে সত্রত ঠাই নিদিব। গৱাঁলি ব্রাহ্মণকো অহা-যোৱা কৰিব নিদিব। যদি এই কথা নাৰাখে, মই দণ্ড কৰিম, ব্রাহ্মণকো দণ্ড কৰিম।" ১৬৫২ শকত আহিনত মোৱামৰাত চৰীয়ায়ে বামুণ দুটা দেখি আহি জনালেহি। ঁদেৱে মোৱামৰীয়া মেধিক ধৰি আনি খোলাতে পেলাই দণ্ড কৰিলে। দুই বামুণকো সৌকাৰে কোবাই নাক-কাণ কাটিলে। আৰু শূদ্র-সেবিত ব্রাহ্মণক পুনু ব্রাহ্মণত শৰণ লগালে। আৰু কমলাবৰীয়া মধুপুৰীয়ায়ে মূর্ত্তিগোসাঁই সেৱা-পূজা নকৰা বুলি সৌকাৰে কোবাই ডিঙিত কলহ আৰি খেদিলে। ৫৯।।

কাছাৰ আৰু জয়ন্তা অভিযান- আতপাচে কছাৰীৰ জয়সিংহ ৰজা কটকী পঠাই পত্র-সন্দেশ দি কৈ আহিল, বোলে— "পূর্ব্বৰ আমাৰ মহঙ্গ সীমা কৰি ৰাজ্য, স্বর্গমহাৰাজা মোক এৰি দিয়োক।" ৰাজাদেৱে তাক তুলি

বিধাৰণ হেন দেখি, বোলে— "বন্দী কছাৰীয়ে এনে কথা কব পাইনিকি?" এনেতে বৰগোহাঞে আমাৰ কটকীহঁতক বোলে— "কি চাইছ, গতাই নে।" পাচে হোলোঙ্গৰ পৰা গতিয়ালে, তাৰ ডিঙিৰ মণিয়ো ছিগি পৰিল, পত্রকো ফালিলে। পাচে ৰাজাদেৱে তিনিজনা ডাঙ্গৰীয়া সহিতে বৰুৱা, ফুকন সমস্তৰে আলচ কৰি ভটিয়াই গৈ বিশ্বনাথ ৰহি তাৰ পৰা মৰঙ্গিৰ নগা-চকীৰ বাটে পাঁচিলে, কুঁৱৰগঞা দৰৱধৰা বুঢ়াগোহাঞি, মৰঙ্গিখোৱা বাঁহবৰীয়া বৰচেটিয়া-গোহাঞিক দিলে, চাউল কঢ়িওৱাকৈ দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ পুতেক ডেকা-বৰবৰুৱাৰ দুইক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সকলকো পঠালে। কপিলীৰ বাটে শৰাইঘটীয়া ফুল-বৰুৱাৰ পানীফুকনক মুখ্য কৰি আনো ফুকন, ৰাজখোৱা সমস্তকে পঠালে। এইৰূপে দুয়ো বাটে গৈ ডেমেৰা, মাইবং পালেগৈ। কছাৰী ৰজা পলাই গৈ জয়ন্তাত সোমাল। জয়ন্তা ৰজালৈ কৈ পঠালে, বোলে— "কছাৰী ৰজা সোমাইছেগৈ; তাক দিয়াহক।" জয়ন্তা ৰজা বোলে—

"শৰণাগতক এৰিব নোৱাৰোঁ।" এনেতে মাইবাঙ্গত বৰবৰুৱা নৰিয়া পৰিবৰ শুনি সমস্তকো ওলাই আহিব দিলে। সমস্তো ওলাই আহোঁতে গেলেমু কোঁঠাতে বৰুৱা মৰিল। পাচে সমস্তো ওলাই আহি কছাৰীৰ সমস্ত দ্রব্য দি মহাৰাজাৰ চৰণত বিশ্বনাথত সেৱা কৰিলেহি।

এবছৰৰ পাচত পুনৰ্ব্বাৰ ভটিয়াই গৈ মিচাত বাহৰ কৰি কপিলীৰ বাটে বৰবৰুৱা প্রমুখ্যে গড়গঞা সকলকো পাঁচিলে। গোভাৰ বাটে শৰাইঘটীয়া বৰফুকন প্রমুখ্যে সকলকো পাঁচিলে। এইৰূপে সমস্তো গৈ জয়ন্তাপুৰ পালেগৈ। জয়ন্তাৰ ৰামসিংহে বৰবৰুৱাৰ ঠাইত বৰিলহি। কছাৰী ৰজাকো পাই মহাৰাজাৰ ঠাইলৈ দি পঠালে। আগেই কছাৰী ৰজা বৰবৰুৱাত কলে, বোলে— "তোমালোকে জয়ন্তা ৰজাক উপায় কৰি মহাৰাজাৰ ঠাইলৈ দি পঠিওৱাহক। যদি এনেখান নকৰিবা, ৰজাকো সৰুকোঁৱৰে নিবহি। তোমালোকেও গা সাৰিবলৈ টান হব। আৰু তোমালোকক ছলকৈ নি নগৰ সুমুৱাবলৈ মন দিছে। তাৰ কথাৰে নাযাবাহক।" এই কথা শুনি বৰবৰুৱা, বৰফুকনে যুক্তি হৈ, বোলে— "জয়ন্তা ৰজাক আনি পুহিব লাগে" বুলি ছলকৈ আনি বন্দী কৰিলে। জয়ন্তা ৰজা বোলে— "মঞি স্ত্রী-মৰণে মৰিলোঁ।" বিজয়ৰাম কটকীয়ে বোলে— "মঞি পূৰ্ব্বে কলোঁ, অচমৰ তলে পুতল, আশই বুজিবলৈ টান । তেতিয়া মোৰ কথা নললা। এতিয়া বিজয়ৰামে কি কৰিব? বুঢ়াৰ হাতত চেঙ্গেলি পৰিলে কমনে এড়াইতে পাৰি?" পাচে বৰুৱা, ফুকনেয়ো যুক্তি হৈ মন্ত্রণা কৰি, বোলে— "মহাৰাজাক দর্শন কৰাবলৈ জয়ন্তা জাক পৰশুলৈ নিম।" এই বুলি সেইদিনাই গোভাৰ বাটে জয়ন্তা ৰজাক দি পঠালে। সৰুকোঁৱৰেও সাৱধান হৈ আছিল। ৰজাক নিবৰ শুনি পাচে পাচে খেদি আহি সাত কোঁঠ কাটি ৰজাক নেপাই উলটি গল আৰু জয়ন্তীদেৱীক আনিবলৈ লোকজন লগত দি দেৱীঘৰীয়া বৰকৃষ্ণ ঠাকুৰক পাঞ্চিলে। জয়ন্তীদেৱীক আনোতে সৰুকোঁৱৰে বাট ভেঁটি ধৰি অনা মানুহক কাটি দেৱীক নিলে। কৃষ্ণঠাকুৰ গছত উঠিল, তাক কঁড়াই মাটিলৈ পেলাই কাটিলে। পাচে দুয়ো ফুকনে জয়ন্তা ৰজাক লৈ গোভা পালেহি। এনেতে সাত-কোঁঠ কটা শুনি দিহিঙ্গীয়া ফুকনৰ হাতত জয়ন্তা ৰজাক দি মহাৰাজাৰ আজ্ঞা নোহোৱাকৈ বুঢ়াগোহাঁই ফুকনক 'খেদি গৈ বাট মুকলি কৰি ৰাজ্যৰ লগ ললেগৈ। কোঁঠ কাটিলতে বাট মৰিছিল। বুঢ়াগোহাঁই পূৰ্ব্বে চাউল কঢ়িওৱা মানুহক নিয়ম কৰি দিবৰ কাৰণে পাঁচিলে। তেওঁ ওলাই আহিল। মহাৰাজ সাত-কোঁঠ কাটিবৰ শুনি অসন্তোষ কৰি পুনৰ্ব্বাৰ বুঢ়াগোহাঁইক পাঁচিলে বোলে,— "সমস্তেও গৈ সৰুকোঁৱৰক বিচাৰি ধৰোঁক।" সকলোৱে এঠাইহৈ সৰুকোঁৱৰক পুৰুষার্থ কৰিও বিচাৰি নেপালে। মহাৰাজালৈ জনাই আহিল। ৰজাদেৱে সকলকো ওলাই আহিব দিলে। সমস্তো ওলাই আহিল। আতপাচে মহাৰজা উজাই আহি ৰংপুৰত থাকি কছাৰী ৰজাক, জয়ন্তা ৰজাক ফাকুযাত্রা কৰি ৰং দেখুৱালে। সেই সময়তে জয়ন্তা কছাৰী দুয়ো ৰজা মহাৰজাক সেৱা কৰিলে। ৬০।।

ৰংপুৰত ৰামসিংহৰ মৰণ— পাচে থকা ঠাই জানখনাতে জয়ন্তা বজা মৰিল। মহাৰাজা খৰি দিয়াই কর্ম্ম কৰালে। দুবছৰৰ পাচত ৰজাদেৱে ভটীয়াই গৈ সৰিয়হতলীত থাকি বৰকোঞৰক ৰজা পাতিলে। বৎসৰি পাল-সেৱা কৰিম হেন নিবন্ধ কৰি ললে। বাঁহবৰীয়া কৃষ্ণাই কটকীক পঠাই জয়ন্তাত থোৱালে। আৰু বৰুৱা, ফুকন, সমস্তকো পাঁচিলে সৰুকোঁৱৰক ধৰিবলৈ। তাক নাপাই উলটি আহিল। ৬১।।

উৎপাত— আতপাচে বাঁহগড়াৰ দুয়ো দুৱাৰৰ শিলৰ ঘট বাতি কিহবাই ভাঙ্গিলে। সেই ৰাতিএ তিঙ্গখাঙ্গৰ দলৰো ঘট ভাঙ্গিলে। পর্ব্বতৰো অঙ্গদ'লৰ ঘট ভাঙ্গিলে। আতপাচে মহাৰাজা ভটীয়াই গৈ

ৰৰনদী-মুখত বহি ফাকুযাত্রা কৰি অনেক দান-দক্ষিণা কৰি মাধগোসাঁই সেৱা কৰি উজাই ৰংপুৰলৈ আহিল। ৬২।।

গুৱাহাটীত স্বর্গদেৱ— আতপাচে মহাৰাজা ঢকাক মাৰিবাক মনে বহাগত ভটীয়াই গৈ শৰাইঘাটত পৰীক্ষিত ৰজাৰ গড়ৰ কোলত বাহৰ কৰি বহিল। তাতে একদিনা ৰজাৰ ৰৰঘৰৰ কাৰেঙ্গৰ ফালে নাচনীয়াৰৰ ঘৰত চাঙ্গতলীয়া হাবি এটা সোমাইছিল। ওলাই যাওঁতে পৰীয়া মানুহে দেখি বোলে,— "সেইটো কোন?" এতেকতে বৰ হু-হি লাগিল। ৰজাদেৱে উচাৰ খাই উঠি দা লৈ থিয় হৈ বাটঘৰৰ পৰা চেৰেগুৱাল ঘন্‌চাম পাঁচনিবৰাক মতাই নি বোলে,— "ঘচাম, তঞি চা, কি হৈছে।" সিয়ো গৈ সমস্তকে কৰি সুধিলে, বোলে,— "তহঁতৰ কি হ'ল? কি দেখিলি?" সিহঁতে বোলে,— "এই পোনে মানুহ এটা গ'ল, তাক দেখিহে হু-হি লাগিল। পাচে আৰিয়া লগাই চালে। আগে বৃষ্টি হৈছিল দেখে তাতে খোজ পৰি গৈছে। সেই খোজ ফেটা। সকলতে সুধিলে, বোলে,— "কোন আহিছিলি ক।" সকলোৱে বোলে,— "আমি নাই যোৱা।" এইৰূপে জনালত, ৰজাদেৱে বোলে,— "ভৰি ফেটা মানুহ কোন আছে তাক চাই খোজেৰে প্রমাণ কৰি চা।" পাঁচনি বৰাই বিচাৰ কৰি চাই হাবিৰ ভিতৰত পাই আনি খোজত প্রমাণ কৰি প্রমাণত পাই ৰাজদেৱত জনালে। তাক বন্দী কৰি থব দিলে। ৰাতি পুৱালত অনেক প্রকাৰে সোধ-পোছ কৰি, কথা হেন জানি গোটা তিনিএকক পৰীক্ষিত ৰজাৰ গড়ৰ কাষৰত কুঠাৰেৰে বুকু ফালি মাৰিলে। আৰুবোৰৰ নাক-কাণ কাটি বাজলৈ উলিয়াই বঝুৱা হাৰিক ভিতৰত সুমুৱালে। ৬৩।।

দীর্ঘেশ্বৰীত মৃগয়া— তাতে আৰু এক দিনা ৰজাদেৱে দীর্ঘেশ্বৰী পর্ব্বতত পহু মাৰিবলৈ যাওঁতে বাটৰ ম'হ এটা আহি হাতী ঘোঁৰাৰ, কাঁড়ীবাৰুৱতীৰ পালী ভাঙ্গি মানুহ এটা মাৰি দোলাকাখৰীয়াৰো পালী ভাঙ্গি ৰাজাদেৱৰে, দুজনা গোহাঞিদেৱৰে দোলাৰ মাজত সোমালেহি। আগেই মানুহ এটা মাৰি উত্তৰৰ পৰা দক্ষিণলৈ দীর্ঘেশ্বৰী পর্ব্বতৰ কাখবে সেই ম'হ আহিল। পহুকটাই যাঠি এপাট লৈ খোঁচ মাৰিলে, লৰ মাৰি দীর্ঘেশ্বৰীত উঠিলগৈ। পাচে ৰজাদেৱ গৈ খাজিখোৱা সোমাই কিছুমান থাকি ওলাই গৈ দীর্ঘেশ্বৰীৰ পহুচোঙ্গৰ টঙ্গিত উঠি পহু মাৰিছে, এনেতে বহুত বান্দৰ আহি টঙ্গিঘৰৰ ওপৰত উঠিলহি। চন্দ্রাতপতো উঠিল। একোৰূপে খেদিব নোৱাৰিলে। ৰজাদেৱে টঙ্গিৰ পৰা নামি গুলীয়াই মাৰিব দিলে। পাচে আহোঁতে কানাইবৰশীবোৱা গড়ত প্রবলচিং হাতীৰ আগে দোলাকাখৰীয়া এটা জাওপুৰ দি ধৰিলে। তাৰ দাঁতৰ মাজত সোমাল, দান্ত গাত নবহিল। এৰাই লৰ মাৰোঁতে চাব দি ধৰি মূৰৰ চেলেং কাপোৰখান আনি চোৰাই খাই উন্মত্ত হৈ গড়ৰ পৰা বাগৰি তললৈ মুণ্ডকৈ খাৱৈত পৰিল। পুখুৰীপৰীয়া বুঢ়াগোহাঞি সেইবেলা তাৰ মাউত, তেওঁ হুঁহুকি তাৰ মূৰতে ৰ'ল, নপৰিল। পাচে ৰজাদেৱে তাৰ লগত হাতী দুটা আৰু মানুহো ৰখীয়া দি বুলিলে— "হাতী ভাল নহয় মানে নুতুলিব।" এই বুলি আহিল। ৬৪।।

বঙ্গ আক্রমণ— আৰু পূর্ব্বে ৰজাদেৱে ঢকা মাৰিবলৈ ভাদৰ দিনত লাইথপনা গোহাঞিৰ পুতেক বৰগোহাঞি, কুঁৱৰিগঞা ফুকন বুঢ়াগোহাঞি, কেন্দুগুৰীয়া ডেকা বৰপাত্র-গোহাঞি, এই তিনিজনা ডাঙ্গৰীয়া প্রমুখ্যে বৰুৱা, ফুকন সমস্ততো সুধিলে, বোলে— "মঞি ঢকা সীমাকৈ ৰঙ্গাগড়াৰ পৰা এই ৰাজ্যখানি মাৰিবলৈ মন কৰোঁ, তোমালোকে কি বোলা?" কেন্দুগুৰীয়া বৰপাত্র-গোহাঞে মহাৰাজাৰ কথাতে ভৰ দি বোলে— "স্বর্গদেৱে উত্তমহে সুধিছে। কৰতীয়া-গঙ্গা সীমা কৰি আমাৰহে 'ৰাজ্য। আমি মন-কাণ নেদিবৰ দ্বাৰাইহে শত্রু লৈছে। ৰাজা হলে পৰ শত্রুক মাৰি আপুনাৰ সীমনা ৰাখি ৰাজ্য লৱনেসে যোগ্য। আৰু নাও-নাৱৰা, আহিলা-পাতি বহুতো হুইছে। দেৱৰ আজ্ঞা হলে তাক মৰা যাব।"

কুঁৱৰিগঞা ফুকন বুঢ়াগোহাঞে বোলে— "স্বর্গদেৱে উত্তমহে সুধিছে, ৰৰপাত্র-গোহাঞে উত্তমহে কৈছে। স্বর্গদেৱৰ পূর্ব্বে পুলিন ৰজাদেৱে তেজ শক্তিৰ বলে ৰঙ্গামাটি চড়াই কৰতোয়া-গঙ্গাত খাণ্ডা পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহা সীমাকৈ গৈছে। জয়ধ্বজ ৰজাদেৱৰ দিনত এনে আহিলা-পাতি বহুতো আছিল, তথাপি নাম হল ভগনীয়া ৰজা। অস্ত্র-শস্ত্র, আহিলা-পাতি সমস্তো জড়, স্বর্গদেৱৰ বন্দী-বেটাহে চেতন; সেয়ে চলালে চলে, তাৰো বলাবল বুজিব লাগে; শত্রুৰো বলাবল বুজিব লাগে। জয়-পৰাজয় দুয়ো আছে, আকো বিশেষৰূপে বুজিহে বাঢ়িবলৈ ভাল হেন দেখি। তথাপি দেৱে যি বুলিব, সেয়েহে হব।" জাদেৱে খং কৰি বোলে-"সর্ব্বকালে গোহাঞিবোৰৰ এনেহে কথা।" এই বুলি বিদায় দিলে। পাচত বৰুৱা, ফুকনে সমস্তে বোলে— "স্বর্গদেৱ, গোহাঞিবোৰক নালাগে, আমাক আজ্ঞা কৰোক, ঢকা সীমা কৰি আমি মৰোঁগৈ।" পাচে ৰজাদেৱে ৰৰদুৱাৰমুখৰ পৰা লুইতলৈ আলিৰ দুইফালে খলা চিকনাই ৰাজ্যক পুহিলে। ৰজাদেৱে ওলাই গৈ আলিৰ দুইফালে সকলো প্রজাৰ আনন্দক চাবলৈ ঘৰ এটি কৰিছিল। তাতে বহি লৈ সকলো ৰাজ্যে আশীর্ব্বাদ কৰিলে, তাতে ৰজাদেৱৰ গা বেয়া কৰিলে। ঘৰলৈ আহিল। সেই দিনাৰে পৰা নৰিয়া টান হৈয়েহে গল। আৰু নগৰ বহল কৰিবৰ মনে হেৱালি পর্ব্বতখানি খহোৱালে। ৰাতি সপোন দেখালে, বোলে— "বিধাতাৰ নির্ম্মাণ পর্ব্বত, তাক যেন খহালি এতেকেহে নৱৰিয়া পৰিলি।" পাচে পূর্ব্বৱতে পর্ব্বত বন্ধাই গছ-লতা এই সকলো ৰুলে, অনেক দান-দক্ষিণাকো কৰিলে। তত্রাপি সুস্থ নহল। ৬৫।।

মৃত্যু— নৱৰিয়া পৰিবৰ আঠ দিনৰ মূৰত দেৱৰাৰে এপৰ বেলি আছোঁতে শ্রীশ্রীৰুদ্রসিংহ মহাৰাজা স্বর্গী হল, ১৬৩৫ শকৰ ভাদ্রৰ মাসত, তাক্ষি ১৩, কৃষ্ণা দ্বিতীয়াত। ভোগ্য ২৮ বছৰ, ছ মাস। ৬৬।।

১০.৪.১ সাধাৰণ আলোচনা

'স্বর্গদেৱ ৰুদ্রসিংহ' তুংখুঙীয়া বুৰঞ্জীৰ এটি গুৰুত্বপূর্ণ অধ্যায়। এই পাঠত আহোম সাম্রাজ্যৰ অন্যতম শক্তিশালী আৰু গৌৰৱময় শাসক স্বর্গদেৱ ৰুদ্রসিংহৰ ৰাজত্বকালৰ বিভিন্ন উল্লেখযোগ্য ঘটনা বর্ণনা কৰা হৈছে। পাঠটোৰ বিষয়বস্তুৰ মাজেৰে ৰুদ্রসিংহৰ ব্যক্তিত্ব, শাসনদক্ষতা, সামৰিক কৃতিত্ব, সাংস্কৃতিক মনোভাৱ আৰু জনকল্যাণমূলক কার্যৰ এক জীৱন্ত ছবি ফুটাই তোলা হৈছে।

পাঠটোৰ আৰম্ভণিতে ৰুদ্রসিংহৰ সিংহাসন আৰোহণৰ কথা উল্লেখ কৰা হৈছে। গদাধৰ সিংহৰ মৃত্যুৰ পিছত তেওঁ আহোম ৰাজ্যৰ ৰাজপাটত অধিষ্ঠিত হয়। ৰাজত্ব লাভ কৰাৰ লগে লগে তেওঁ ৰাজ্যৰ মহাজন আৰু বিষয়াবর্গক যথাযোগ্য মর্যাদা দি প্রশাসন সুসংগঠিত কৰাৰ ব্যৱস্থা কৰে। ইয়াৰ পৰা তেওঁৰ সুদক্ষ শাসকসুলভ গুণৰ পৰিচয় পোৱা যায়।

এই পাঠত ৰুদ্রসিংহৰ সময়ত সংঘটিত হোৱা কিছুমান প্রাকৃতিক ঘটনাৰো বর্ণনা পোৱা যায়। বিশেষকৈ দীর্ঘদিন ধৰি চলা ভূমিকম্প, মাটি ফাটি মাছ ওলোৱা আৰু পাহাৰ খহি পৰা আদি ঘটনাৰ উল্লেখে সেই সময়ৰ প্রাকৃতিক পৰিৱেশৰ এক বাস্তৱ চিত্র দাঙি ধৰে। বুৰঞ্জী সাহিত্য যে কেৱল ৰাজনৈতিক ইতিহাস নহয়, সমসাময়িক সমাজজীৱনৰো দলিল, এই অংশই তাক প্রমাণ কৰে।

ৰুদ্রসিংহৰ শাসনকালত একাধিক ষড়যন্ত্র আৰু ৰাজদ্রোহ সংঘটিত হৈছিল। চাৰিং ৰজা, চুঙ্গি বৰুৱা, সৰুজনা গোহাঁই আদি কিছুমান ব্যক্তিয়ে ৰজাৰ বিৰুদ্ধে ষড়যন্ত্র কৰাৰ চেষ্টা কৰিছিল। কিন্তু

ৰুদ্রসিংহে তৎক্ষণাত এই ষড়যন্ত্রসমূহ উদ্ঘাটন কৰি দোষীসকলক কঠোৰ শাস্তি প্রদান কৰে। এই ঘটনাসমূহে তেওঁৰ দৃঢ়তা, বিচক্ষণতা আৰু ৰাজশক্তি ৰক্ষাৰ কঠোৰ মানসিকতাৰ পৰিচয় বহন কৰে।

পাঠটোৰ এক উল্লেখযোগ্য দিশ হৈছে ৰুদ্রসিংহৰ নির্মাণকার্য। তেওঁৰ আদেশত খনন কৰা জয়সাগৰ পুখুৰী আৰু তাৰ পাৰত নির্মিত জয়দ'লসমূহ আহোম যুগৰ স্থাপত্য-কলাৰ শ্রেষ্ঠ নিদর্শন। জয়সাগৰ কেৱল এক বৃহৎ জলাশয় নহয়, ই ৰুদ্রসিংহৰ জনকল্যাণমূলক চিন্তা আৰু শিল্পবোধৰো পৰিচায়ক। একেদৰে ৰংপুৰ নগৰ প্রতিষ্ঠাৰ জৰিয়তে তেওঁ ৰাজ্যৰ ৰাজনৈতিক আৰু সাংস্কৃতিক কেন্দ্র গঢ়ি তোলে।

সামাজিক আৰু সাংস্কৃতিক ক্ষেত্রতো ৰুদ্রসিংহে নতুনত্ব আনিবলৈ চেষ্টা কৰিছিল। তেওঁৰ সময়তে বঙ্গদেশীয় সাজ-পাৰৰ প্রচলন আৰম্ভ হয়। তেওঁ নিজে জামা-পাগুৰি পিন্ধি বিষয়াবর্গকো সেই ধৰণৰ পোছাক গ্রহণ কৰিবলৈ উৎসাহিত কৰিছিল। ইয়াৰ পৰা তেওঁৰ উদাৰ মনোভাৰ আৰু নতুন সংস্কৃতি গ্রহণ কৰাৰ প্রৱণতা স্পষ্ট হয়।

পাঠটোৰ এটা বৃহৎ অংশ সামৰিক অভিযান আৰু ৰাজনৈতিক সম্প্রসাৰণৰ বিৱৰণেৰে গঠিত। নগা, কাছাৰ আৰু জয়ন্তাৰ সৈতে সংঘটিত সংঘর্ষসমূহে ৰুদ্রসিংহৰ সামৰিক দক্ষতা আৰু কূটনৈতিক বিচক্ষণতাৰ পৰিচয় দিয়ে। বিশেষকৈ কাছাৰ আৰু জয়ন্তা অভিযানৰ বর্ণনাত দেখা যায় যে তেওঁ কেৱল যুদ্ধৰ জৰিয়তে নহয়, কূটনৈতিক কৌশলৰ জৰিয়তেও নিজৰ প্রভাৱ বিস্তাৰ কৰিছিল।

ধর্মীয় আৰু সামাজিক বিষয়তো ৰুদ্রসিংহে সক্রিয় ভূমিকা গ্রহণ কৰিছিল। ব্রাহ্মণ আৰু শূদ্রৰ মাজত শৰণ গ্রহণৰ অধিকাৰ সম্পর্কে সৃষ্টি হোৱা মতভেদৰ বিচাৰ কৰি তেওঁ শাস্ত্রসম্মত সিদ্ধান্ত গ্রহণৰ চেষ্টা কৰিছিল। এই ঘটনাই সেই সময়ৰ সমাজ-ধর্মীয় অৱস্থা আৰু ৰজাৰ হস্তক্ষেপৰ দিশটো স্পষ্ট কৰে।

পাঠটোৰ শেষাংশত ৰুদ্রসিংহৰ বৃহৎ সাম্রাজ্য গঢ়াৰ সপোনৰ কথা প্রকাশ পাইছে। তেওঁ বঙ্গদেশৰ ঢকা জয় কৰাৰ উদ্দেশ্যে ব্যাপক প্রস্তুতি আৰম্ভ কৰিছিল। যদিও অভিযান আৰম্ভ হোৱাৰ পূর্বেই তেওঁ অসুস্থ হৈ পৰে, তথাপি তেওঁৰ এই পৰিকল্পনাই তেওঁৰ দূৰদর্শিতা আৰু সাম্রাজ্য বিস্তাৰৰ উচ্চাকাঙ্ক্ষাৰ পৰিচয় দিয়ে।

অৱশেষত অসুস্থতাৰ ফলত ১৬৩৫ শকৰ ভাদ্র মাহত ৰুদ্রসিংহৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰে আহোম সাম্রাজ্যই এজন শক্তিশালী, কর্মঠ, দূৰদর্শী আৰু সংস্কাৰমুখী শাসকক হেৰুৱায়।

সামগ্রিকভাৱে 'স্বর্গদেৱ ৰুদ্রসিংহ' পাঠটোৱে এজন মহান আহোম সম্রাটৰ জীৱন আৰু কর্মৰ লগতে সেই সময়ৰ ৰাজনীতি, সমাজ, সংস্কৃতি, ধর্ম আৰু সামৰিক ইতিহাসৰ এক বিস্তৃত আৰু জীৱন্ত চিত্র উপস্থাপন কৰিছে। সেয়েহে এই পাঠটো অসমৰ ইতিহাস আৰু বুৰঞ্জী সাহিত্যৰ এক মূল্যৱান সম্পদ হিচাপে পৰিগণিত।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪: স্বর্গদেৱ ৰুদ্রসিংহে সিংহাসনত বহাৰ পিছত কি ব্যৱস্থা গ্রহণ কৰিছিল?

.....

প্ৰশ্ন নং ৫: ৰুদ্ৰসিংহৰ শাসনকালত সংঘটিত হোৱা দুটা প্ৰাকৃতিক ঘটনাৰ উল্লেখ কৰা।

.....

১০.৪.৩ গদ্যশৈলী

'স্বৰ্গদেউ ৰুদ্ৰসিংহ' পাঠটি আহোম যুগৰ বুৰঞ্জী সাহিত্যৰ অন্তৰ্গত। এই পাঠত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ বিভিন্ন ৰাজনৈতিক, সামাজিক, সামৰিক আৰু সাংস্কৃতিক ঘটনাৰ বৰ্ণনা কৰা হৈছে। বুৰঞ্জী সাহিত্যৰ গদ্যশৈলীৰ বহু বৈশিষ্ট্য এই পাঠত স্পষ্টভাৱে প্ৰতিফলিত হৈছে।

১. ঘটনাভিত্তিক আৰু তথ্যনিষ্ঠ গদ্যশৈলী

বুৰঞ্জীৰ মূল উদ্দেশ্য ইতিহাস সংৰক্ষণ কৰা। সেইবাবে এই পাঠত কল্পনা বা অলংকাৰৰ পৰিৱৰ্তে ঘটনা, তাৰিখ আৰু তথ্যক অধিক গুৰুত্ব দিয়া হৈছে। উদাহৰণস্বৰূপে— "১৬১৯ শকত আঘ্ৰায়ণত ৰংপুৰত ৪৫ দিনে পুখুৰী খান্দিলে, ফাগুনত উছৰ্গিলে... নাম থলে জয়সাগৰ।" এই বৰ্ণনাই তথ্যৰ যথাযথ উপস্থাপন দেখুৱায়।

২. চমু আৰু সংক্ষিপ্ত বাক্যৰ ব্যৱহাৰ

পাঠটোৰ বাক্যসমূহ সাধাৰণতে চুটি আৰু সৰল। ঘটনাৰ বিৱৰণ অতি সংক্ষেপে দিয়া হৈছে। যেনে— "দেৱে কোঁৰৰ সহিতে সবাকে মাৰিলে। দুই দেওধাইৰ চক্ষু কাঢ়িলে।" এনে বাক্যই গদ্যক গতিশীল আৰু প্ৰাঞ্জল কৰি তুলিছে।

৩. কথ্য ভাষাৰ প্ৰাধান্য

বুৰঞ্জীৰ ভাষাত সেই সময়ৰ কথ্য অসমীয়াৰ প্ৰভাৱ লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে— "স্বৰ্গদেৱে উত্তমহে সুধিছে", "মঞি ঢকা সীমাকৈ ৰঙ্গাগড়াৰ পৰা এই ৰাজ্যখানি মাৰিবলৈ মন কৰোঁ।" এই ধৰণৰ ভাষাই ঐতিহাসিক যুগৰ ভাষাৰ স্বাভাৱিক ৰূপ প্ৰতিফলিত কৰিছে।

৪. সংলাপৰ ব্যৱহাৰ

পাঠটোৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে সংলাপৰ সজীৱ প্ৰয়োগ। বিভিন্ন ব্যক্তি আৰু ৰজাৰ মাজৰ কথোপকথন প্ৰত্যক্ষভাৱে উপস্থাপন কৰা হৈছে। উদাহৰণস্বৰূপে— "ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পাই যেন একো শাস্ত্ৰত বচন পোৱা নাই..." অথবা "শৰণাগতক এৰিব নোৱাৰোঁ।" এনে সংলাপে ঘটনাসমূহ অধিক জীৱন্ত কৰি তুলিছে।

৫. বৰ্ণনাত বাস্তৱবাদিতা

ঘটনাবোৰ যিদৰে সংঘটিত হৈছিল, প্ৰায় সেইদৰেই লিপিবদ্ধ কৰা হৈছে। ষড়যন্ত্ৰ, বিদ্ৰোহ, যুদ্ধ, শাস্তি আদি বিষয় কোনো আড়ম্বৰ নোহোৱাকৈ উপস্থাপন কৰা হৈছে। উদাহৰণস্বৰূপে— "চাৰিং ৰজাক নামৰুকলৈ নিয়াই ঘিলা কাঢ়ি থব দিলে, চুঙ্গি বৰুৱাক মাৰিলে।" এই ধৰণৰ বৰ্ণনাই বাস্তৱধৰ্মী গদ্যশৈলীৰ নিদৰ্শন।

৬. কালানুক্ৰমিক বৰ্ণনা পদ্ধতি

ঘটনাবোৰ বছৰৰ হিচাপত একৰ পিছত এক সজোৱা হৈছে। ভূঁইকঁপ, ষড়যন্ত্র, জয়সাগৰ নির্মাণ, লেচাই বিদ্রোহ, কাছাৰ অভিযান, বঙ্গ অভিযান আদি সকলো ঘটনা সময়ৰ ধাৰাবাহিকতা অনুসৰি বর্ণিত হৈছে। ইয়াৰ ফলত পাঠটোৱে ইতিহাসৰ দলিলৰূপে বিশেষ মূল্য লাভ কৰিছে।

৭. তৎসম আৰু প্রাচীন শব্দৰ প্রয়োগ

পাঠত "আজ্ঞা", "উছর্গিলে", "প্রসাদ", "দণ্ড", "সেৱা", "মহাজন" আদি বহু তৎসম আৰু প্রাচীন শব্দ ব্যৱহৃত হৈছে। এই শব্দসমূহে গদ্যক গাম্ভীর্য আৰু ঐতিহাসিকতা প্রদান কৰিছে।

'স্বর্গদেউ ৰুদ্রসিংহ' পাঠটোৰ গদ্যশৈলী তথ্যনিষ্ঠ, সংক্ষিপ্ত, বাস্তৱধর্মী আৰু ঘটনাকেন্দ্রিক। কথ্য ভাষাৰ স্বাভাৱিকতা, সংলাপৰ ব্যৱহাৰ, কালানুক্রমিক বর্ণনা আৰু ঐতিহাসিক সত্যতাৰ প্রতি আনুগত্যই এই গদ্যশৈলীক বুৰঞ্জী সাহিত্যৰ এক উৎকৃষ্ট নিদর্শন হিচাপে প্রতিষ্ঠা কৰিছে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬: 'স্বর্গদেউ ৰুদ্রসিংহ' পাঠটোৰ গদ্যশৈলীৰ অন্যতম প্রধান বৈশিষ্ট্য কি?

.....

প্রশ্ন নং ৭: পাঠটোৰ গদ্যত সংলাপৰ ব্যৱহাৰে কি প্রভাৱ পেলাইছে?

.....

প্রশ্ন নং ৮: কালানুক্রমিক বর্ণনা পদ্ধতিয়ে পাঠটোৰ কি বিশেষ মূল্য বৃদ্ধি কৰিছে?

.....

প্রশ্ন নং ৯: 'স্বর্গদেউ ৰুদ্রসিংহ' পাঠটোক বুৰঞ্জী সাহিত্যৰ এক উৎকৃষ্ট নিদর্শন বুলি কিয় কোৱা হয়?

.....

2 ১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তুংখুঙীয়া বুৰঞ্জী আহোমসকলৰ তুংখুঙীয়া ৰাজবংশৰ ইতিহাসভিত্তিক এখন গুৰুত্বপূর্ণ বুৰঞ্জী। ইয়াত গদাধৰ সিংহৰ পৰা আহোম শাসনৰ অন্ত পর্যন্তৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বহু মূল্যৱান তথ্য সংৰক্ষিত আছে।
- স্বর্গদেউ ৰুদ্রসিংহ আছিল আহোম সাম্রাজ্যৰ এজন শক্তিশালী, দূৰদর্শী আৰু কর্মঠ শাসক। সিংহাসনত বহিয়েই তেওঁ ৰাজ্যৰ প্রশাসন সুসংগঠিত কৰে, ষড়যন্ত্র আৰু বিদ্রোহ কঠোৰভাৱে দমন কৰে আৰু ৰাজ্যৰ স্থিতি-শৃংখলা বজাই ৰাখে।
- ৰুদ্রসিংহে জয়সাগৰ, জয়দ'ল আৰু ৰংপুৰ নগৰ আদি নির্মাণৰ জৰিয়তে জনকল্যাণমূলক আৰু সাংস্কৃতিক উন্নয়নত গুৰুত্ব দিছিল। একেদৰে নগা, কাছাৰ আৰু জয়ন্তাৰ সৈতে সম্পর্কিত সামৰিক অভিযানসমূহে তেওঁৰ সামৰিক শক্তি আৰু কূটনৈতিক বিচক্ষণতাৰ পৰিচয় বহন কৰে।

- পাঠটোৰ মাজেৰে আহোম যুগৰ সমাজ, ধর্ম, সংস্কৃতি, প্রশাসন, সাজ-পোছাক, ৰাজনীতি আৰু জনজীৱনৰ এক বিস্তৃত ছবি পোৱা যায়। লগতে বুৰঞ্জীৰ গদ্যশৈলীৰ তথ্যনিষ্ঠতা, সংক্ষিপ্ততা, কথ্যভাষাৰ প্রয়োগ, সংলাপধর্মিতা আৰু বাস্তৱধর্মী বর্ণনাভংগীৰ বিষয়েও জানিব পাৰিলোঁ।

১০.৬ অধিক জানিবলৈ

কোঁৱৰ, অর্পনা (২০১০); *প্রাচীন অসমীয়া গদ্য-শৈলী*; ডিব্রুগড়ঃ বনলতা।

গোস্বামী, উপেন্দ্রনাথ (১৯৯৪); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ*; গুৱাহাটীঃ বৰুৱা এজেন্সী।

গগৈ, লীলা (২০০২); *বুৰঞ্জী সাহিত্য*; গুৱাহাটীঃ বনলতা।

দত্ত, শৰৎ কুমাৰ ((সম্পা.) (২০১০); *অসম বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটীঃ চন্দ্র প্রকাশ।

ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি;* গুৱাহাটীঃ বনলতা।

ভূঞা, সূর্য্য কুমাৰ (সম্পা.) (২০১০); *হৰকান্ত বৰুৱা সদৰামিনৰ অসম বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

ভূঞা, সূর্য্য কুমাৰ (সম্পা.) (২০১০); *কছাৰী বুৰঞ্জী*; গুৱাহাটীঃ অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ।

শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সৌমাৰ প্রকাশ।

Bhuyan, S.K. (ed.) (1933); *Tungkhungia Buranji*; Oxford University Press.

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ : "তুংখুঙীয়া বুৰঞ্জী"ৰ মূল ৰচয়িতা শ্রীনাথ দুৱৰা বৰুৱা।

২ নং প্রশ্নৰ উত্তৰ : এই বুৰঞ্জীত ১৬৮১ খ্রীষ্টাব্দত গদাধৰ সিংহৰ সিংহাসন আৰোহণৰ পৰা ১৮২৬ খ্রীষ্টাব্দত ইয়াণ্ডাবু সন্ধিলৈকে প্রায় ১৪৫ বছৰৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে।

৩ নং প্রশ্নৰ উত্তৰ : "তুংখুঙীয়া বুৰঞ্জী"ত মোৱামৰীয়া বিদ্রোহৰ বিশদ বিৱৰণ পোৱা যায়।

৪ নং প্রশ্নৰ উত্তৰ : সিংহাসনত বহাৰ পিছত ৰুদ্রসিংহে মহাজন আৰু বিষয়াবর্গক যথাযোগ্য মর্যাদা দি ৰাজ্যৰ প্রশাসন সুসংগঠিত কৰাৰ ব্যৱস্থা গ্রহণ কৰিছিল।

৫ নং প্রশ্নৰ উত্তৰ : ৰুদ্রসিংহৰ শাসনকালত দীর্ঘদিন ধৰি ভূমিকম্প হৈছিল আৰু মাটি ফাটি মাছ ওলোৱাৰ দৰে অদ্ভুত ঘটনা সংঘটিত হৈছিল।

৬ নং প্রশ্নৰ উত্তৰ : এই পাঠটোৰ গদ্যশৈলীৰ অন্যতম প্রধান বৈশিষ্ট্য হৈছে ঘটনাভিত্তিক আৰু তথ্যনিষ্ঠ উপস্থাপন। ইয়াত ঐতিহাসিক ঘটনাসমূহ তথ্য আৰু তাৰিখসহ সৰলভাৱে বর্ণনা কৰা হৈছে।

৭ নং প্রশ্নৰ উত্তৰ : সংলাপৰ ব্যৱহাৰে ঘটনাবোৰ অধিক সজীৱ আৰু বাস্তৱধর্মী কৰি তুলিছে। ইয়াৰ ফলত পাঠকে সেই সময়ৰ পৰিস্থিতি আৰু চৰিত্রসমূহৰ মনোভাৱ সহজে বুজিব পাৰে।

৮ নং প্রশ্নৰ উত্তৰ : পাঠটোত ষড়যন্ত্র, বিদ্রোহ, যুদ্ধ আৰু শান্তিৰ ঘটনাসমূহ কোনো আড়ম্বৰ নকৰাকৈ বাস্তৱ ৰূপত উপস্থাপন কৰা হৈছে। এই বাস্তৱধর্মী বর্ণনাই পাঠটোক অধিক নির্ভৰযোগ্য কৰি তুলিছে।

৯ নং প্রশ্নৰ উত্তৰ : ঘটনাসমূহ সময়ৰ ধাৰাবাহিকতা অনুসৰি বর্ণনা কৰাৰ ফলত পাঠটোৱে ইতিহাসৰ এক নির্ভৰযোগ্য দলিলৰূপে বিশেষ মূল্য লাভ কৰিছে। ইয়াৰ দ্বাৰা ঘটনাৰ ক্রম সহজে বুজিব পৰা যায়।

M ১০.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক।

ক) তুংখুঙীয়া বুৰঞ্জীত তুংখুঙীয়া ৰাজবংশৰ ইতিহাস প্রায় কিমান বছৰৰ লিপিবদ্ধ কৰা হৈছে?

খ) ৰুদ্রসিংহই শিঙৰিঘৰত উঠি কি নাম গ্রহণ কৰিছিল?

গ) জয়সাগৰ পুখুৰী কোন ঠাইত খন্দোৱা হৈছিল?

ঘ) ৰুদ্রসিংহৰ সময়ত বিদেশী সাজ-পাৰৰ প্রচলন কোন দেশৰ প্রভাৱত হৈছিল?

ঙ) ৰুদ্রসিংহৰ মৃত্যুৰ সময়ত তেওঁৰ বঙ্গ আক্রমণৰ লক্ষ্য কি আছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : শ্রীনাথ দুৱৰা বৰুৱাৰ বর্ণনাক নির্ভৰযোগ্য বুলি ধৰা হয় কিয়?

প্রশ্ন ২ : ৰুদ্রসিংহই ষড়যন্ত্রকাৰীসকলৰ বিৰুদ্ধে কি ধৰণৰ ব্যৱস্থা গ্রহণ কৰিছিল?

প্রশ্ন ৩ : ৰংপুৰ নগৰ প্রতিষ্ঠাৰ ঐতিহাসিক গুৰুত্ব কি?

প্রশ্ন ৪ : নগাসকলৰ সৈতে সংঘাতৰ পিছত ৰুদ্রসিংহে কি কূটনৈতিক পদক্ষেপ গ্রহণ কৰিছিল?

প্রশ্ন ৫ : জয়ন্তা আৰু কাছাৰ অভিযানত ৰুদ্রসিংহৰ কোন দুটা গুণৰ পৰিচয় পোৱা যায়?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : 'তুংখুঙীয়া বুৰঞ্জী'ক অসমৰ ইতিহাসৰ এক মূল্যৱান দলিল বুলি কিয় কোৱা হয়? আলোচনা কৰা।

প্রশ্ন ২ : 'স্বর্গদেউ ৰুদ্রসিংহ' পাঠৰ আধাৰত ৰুদ্রসিংহৰ শাসনদক্ষতা আৰু ব্যক্তিত্বৰ মূল্যায়ন কৰা।

প্রশ্ন ৩ : ৰুদ্রসিংহৰ জনকল্যাণমূলক আৰু নির্মাণমূলক কার্যসমূহ আলোচনা কৰা।

প্রশ্ন ৪ : 'স্বর্গদেউ ৰুদ্রসিংহ' পাঠত প্রতিফলিত অসমৰ সামাজিক, সাংস্কৃতিক আৰু ধর্মীয় জীৱনৰ ছবি আলোচনা কৰা।

প্ৰশ্ন ৫ : 'স্বৰ্গদেউ ৰুদ্ৰসিংহ' পাঠৰ গদ্যশৈলীৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ বিশ্লেষণ কৰা।
